নীতি আৰু উপচাৰ আদিৰ ভালেখিনি পৰিবৰ্ত্তন ঘটিছিল। 'কালিকা-পুৰাণ'ত (৬৭তম অধ্যায়) উল্লিখিত কাছ, ঘৰিয়াল, ন প্ৰকাৰৰ পহু, গুইসাপ, গাহৰি, গড়, সিংহ, স্বগাত্ৰ ৰুধিৰ আদি আজি-কালি আৰু দেৱীক উপচাৰ হিচাপে দিয়া নহয়। কালিকা-পুৰাণমতে (৭৮/১৪০) দেৱীক বামাচাৰ আৰু দক্ষিণাচাৰ এই দুই পদ্ধতিৰে পূজিব পাৰি। 'যোগিনী তন্ত্ৰ'ত (১/৬/১৪) মদ্য, মাংস, মৎস্য, মুদ্ৰা আৰু মৈথুন এই পঞ্চ মকাৰৰ সেৱনৰ উল্লেখ আছে; কিন্তু বৰ্তমানে এনেবোৰ উপঢৌকন দিয়াৰ প্ৰথা প্ৰায় উঠি গৈছে বুলি ক'ব পাৰি। আনকি'যোগিনী-তন্ত্ৰ'ত উল্লিখিত শয্যা-সাধন, মুণ্ড-সাধন আদি কমাচাৰ পদ্ধতিৰেও দেৱীক পূজা কৰা নহয়। তথাপি এইটো অনস্বীকাৰ্য্য যে, দেৱীক দুৰ্গা, কালী, জগদ্ধাত্ৰী, মঙ্গল-চণ্ডী আদি বিভিন্ন ৰূপত ম'হ, ছাগলী, হাঁহ, পাৰ আদিৰ বলিৰে দেৱীমন্দিৰ, ৰাজহুৱা ঠাই নাইবা শক্তি- পূজকৰ ঘৰত আজিও নিয়মীয়া ভাৱে পূজা দিয়া হয়। উল্লেখযোগ্য যে যেনেকৈ শিৱৰ মূৰ্তি-পূজা নকৰি লিঙ্গকেই শিৱৰূপে পূজা কৰা হয় তেনেকৈ কামাখ্যা আদি পীঠস্থান সমূহতো দেৱীৰ মূৰ্তি-পূজা নকৰি এটা ফাট থকা শিলত (সাধাৰণতে সেই ফাটেৰে পানী নিগৰি ওলাই থাকে) দেৱীৰ যোনি প্ৰতীক ৰূপে কল্পনা কৰি পূজা দিয়া হয়। আৰু তেনে পূজা আজিও পীঠস্থান সমূহত নিয়মীয়াকৈ চলি আছে।

আমাৰ কিছুমান লোকৰ এইটো ধাৰণা যে, অসমত আগেয়ে শৈৱধৰ্ম আৰু শাক্তধৰ্মহে চলিছিল, বৈষ্ণৱ ধৰ্ম নাছিল; শঙ্কৰদেৱেহে প্ৰথমে অসমত বৈষ্ণৱধৰ্ম প্ৰৱৰ্তন কৰে। কিন্তু এই ধাৰণা ভুল। মহাপুৰুষ শঙ্কৰদেৱৰ কেইবা শ বছৰ আগৰ পৰাই যে অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন আছিল তাৰ বিভিন্ন প্ৰমাণ পোৱা যায়। নগাঁৱৰ বৰগঙ্গা শিলালিপিত (৫৫৩-৫৫৪ খৃঃ) কামৰূপৰাজ ভূতি-বৰ্মাই নিজকে বিষ্ণুৰ পৰমভক্ত ("শ্ৰী পৰমদৈৱত পৰমভাগৱত") বুলি পৰিচয় দিছে। বাণৰ 'হৰ্ষচৰিত'ত ভাস্কৰ বৰ্মাক বিষ্ণুৰ বংশধৰ



বোলা হৈছে। দ্বাদশ শতিকাৰ কামৰূপৰাজ ধৰ্মপালৰ পুষ্পভদ্ৰা লিপিত (শাৰী ১,১৮) বৰাহ-বিষ্ণুলৈ ভক্তি প্ৰদৰ্শন কৰা হৈছে। বিভিন্ন ঠাইৰ বিষ্ণুমূৰ্তি, যেনে, শুক্ৰেশ্বৰত থকা অষ্টম-নৱম শতিকাৰ বিষ্ণু-জনাৰ্দন বা নাৰায়ণ-মূৰ্ত্তি, অশ্বক্লান্তত প্ৰাপ্ত দ্বাদশ-শতিকাৰ অনন্তশায়ী বিষ্ণু-মূৰ্ত্তি, দেওপানীত পোৱা স্থানক ভঙ্গিমাৰ বিষ্ণু-মূৰ্ত্তি আৰু অসমৰ বিভিন্ন ঠাই যেনে গোঁসাইজুৰি, উবাক, নগাঁও, মহাদেওশাল, ফুলনি আদিত পোৱা বিভিন্ন ভঙ্গিমাৰ বাসুদেৱ-মূৰ্ত্তি আদিৰ পৰা সহজেই অনুমান কৰিব পাৰি যে, বিষ্ণুপূজা প্ৰাচীন কালৰ পৰা অসমত প্ৰচলিত আছিল। অৱশ্যে এইটো উল্লেখযোগ্য যে, প্ৰাক্ শঙ্কৰ যুগত বিষ্ণুক পাঞ্চৰাত্ৰ পদ্ধতিমতেহে পূজা কৰা হৈছিল। 'কালিকাপুৰাণ'ত (৮০তম অধ্যায়) বাসুদেৱ-পূজা, আৰু 'কালিকাপুৰাণ' (৭৮তম অধ্যায়) আৰু 'যোগিনীতন্ত্ৰ'ত (উত্তৰাৰ্ধ, ৯ম অধ্যায়) হয়গ্ৰীৱ-মাধৱৰ পূজাৰ বিতং বিৱৰণ পোৱা যায়। সেইমতে দুয়োজন দেৱতাৰ পূজাৰ কাৰণে অন্যান্য সামগ্ৰীৰ উপৰিও মাছ, মৃগ-মাংস, ছাগ-মাংস আদি উপচাৰৰ ব্যৱস্থা দিয়া হৈছে। বাসুদেৱ-পূজাত মন্ত্ৰ, যন্ত্ৰ, ন্যাস, মুদ্ৰা আদি তান্ত্ৰিক প্ৰক্ৰিয়া চলিছিল। হয়গ্ৰীৱ-পূজাতো তান্ত্ৰিকতা বিদ্যমান। বাসুদেৱ আৰু হয়গ্ৰীৱ বিষ্ণুৰ অন্যৰূপ বুলি পৰিগণিত হৈছে। সেয়েহে শঙ্কৰপূৰ্ব বৈষ্ণৱ ধৰ্মক তান্ত্ৰিক বৈষ্ণৱ ধৰ্ম বুলি পণ্ডিত-সকলে আখ্যা দিছে। অৱশ্যে শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত নৱবৈষ্ণৱ ধৰ্মই পূৰ্বপ্ৰচলিত বৈষ্ণৱ ধৰ্মক একেবাৰেই নতুন ৰূপত প্ৰকাশ কৰিলে। ফলত বলি-বিধান আৰু তন্ত্ৰ-মন্ত্ৰৰ ঠাই একশৰণ নাম ধৰ্মই অধিকাৰ কৰিলে। এই ধৰ্মমতে অন্য দেৱ-দেৱীক পূজা সেৱা কৰিলে, দেৱ-দেৱীৰ মন্দিৰলৈ গৈ মূৰ্ত্তি দৰ্শন কৰিলে বা প্ৰসাদ গ্ৰহণ কৰিলে ভক্তি ব্যভিচাৰ হয়। বিষ্ণুৱে একমাত্ৰ আৰাধ্য দেৱতা। তেওঁক উপাসনা কৰাৰ পদ্ধতি হ'ল নটিঃ-শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, বন্দন, অৰ্চন, পদন্-সেৱা দাস্য, সখিত্ব আৰু দেহ-তৰ্পণ। ইয়াৰ ভিতৰত শ্ৰৱণ আৰু-কীৰ্ত্তন-